# <u>**প্ৰায়েই জিজ্ঞাসিত প্ৰশ্নাৱলী**</u>

প্ৰশ্ন) কিডনী বায়’পছি কি?

উত্তৰ) কিডনী বায়’পছি হৈছে এক প্ৰক্ৰিয়া য’ত কিডনীৰ কলা (tissue) ৰ সামান্য অংশ মাইক্ৰস্পৰ সহায়েৰে পৰীক্ষা কৰা হয়, যাৰ দ্বাৰা কিডনী ৰোগৰ অৰ্ন্তনিহিত কাৰক সমূহ জনা যায়।

প্ৰশ্ন) শিশুৰ কিডনী বয়’পচি কেতিয়া কৰা হয়?

উত্তৰ) কিডনী ৰোগৰ সমস্যাত ভোগী থকা শিশুৰ কিডনীৰ অসুখৰ প্ৰকৃত কাৰণ নিৰ্ণয় কৰিবলৈ চিকিৎসাকালীন অৱস্থাতে বয়’পচিৰ গ্ৰয়োজন হয়। শিশুৰ পেচাবেদি তেজ যোৱা, পেচাবৰ লগত শৰীৰ প্ৰটিন ওলায় যোৱা, কোনো অৰ্ন্তনিহিত কাৰকৰ অবিহনে কিডনী বিকল হোৱা, SLE, HSP ৰ দৰে ৰোগত - কিডনী জনিত কাৰকৰ উপস্থিতিত কিডনী বায়’পচিৰ প্ৰয়োজন হয়।

প্ৰশ্ন) কেনে ধৰণৰ বিশেষজ্ঞ চিকিৎসকে শিশুৰ কিডনী বায়’পচি কৰে আৰু কেনেকৈ কৰা হয়?

উত্তৰ) এই চিকিৎসা শিশুৰ কিডনী ৰোগৰ বিশেষজ্ঞ - Paediatric Nephrologist য়ে কৰে। এই প্ৰক্ৰিয়াত এটা biopsy needle ৰোগীৰ চালৰ মাজেদি কিডনীলৈ সুমুয়াই নমুনা সংগ্ৰহ কৰা হয় আৰু এই প্ৰক্ৰিয়াত চালৰ সামান্য এটা অংশ কটা হয়।

প্ৰশ্ন) কিডনী বায়’পচিৰ দ্বাৰা শিশুটিৰ কি দৰে উপকৃত হয়?

উত্তৰ) এই প্ৰক্ৰিয়াৰ দ্বাৰা চিকিৎসকে কি চিকিৎসা তথা ঔষধ দিব লাগিব আৰু ৰোগীয়েও কিমান দিনলৈ চিকিৎসাৰ প্ৰয়োজনীয়তাৰ বিষয়ে জানিব পাৰে।

প্ৰশ্ন) এনাছথেছিয়াৰ প্ৰয়োগ প্ৰয়োজনীয় হয় নে?

উত্তৰ) কিডনী বায়’পচি বৰ বেছি কষ্টকৰ প্ৰক্ৰিয়া নহয়। এই প্ৰক্ৰিয়াত শিশুটিক ১০/১৫ মিনিটৰ বাবে তললৈ পেট কৰি শুবলৈ দিয়া হয়। শিশুটিক দুখমুক্ত আৰু সম্পূৰ্ণ সহযোগৰ বাবে কম পৰিমাণে sedatives (নিচাযুক্ত ঔষধ) দিব লগা হয়। শিশুটিয়ে ভয় নাখাবলৈ সাধাৰণ এনাছথেছিয়া দিব লগা হয় কিয়নো প্ৰক্ৰিয়াজনিত সময়ত শিশুটিয়ে লৰ-চৰ কৰিলে প্ৰয়োজনীয় কলা অংশ (tissue) পৰীক্ষাৰ বাবে পাব পৰা নহ’ব।

প্ৰশ্ন) কিডনী বায়’পচি জটিল প্ৰক্ৰিয়া হয় নে? ই কিমান বিপদসংকুল?

উত্তৰ) এই অস্ত্ৰোপচাৰৰ কাৰ্য্যপ্ৰণালী জটিল নহয়। ই কেৱল এক ৰোগ চিনাক্তকৰণ প্ৰক্ৰিয়া যদিও ই সম্পূৰ্ণভাৱে বিপদমুক্ত হয় বুলিও কব নোৱাৰি। বায়’পচিৰ সময়ত ৰক্তক্ষৰণ, বিষ, hematoma (তেজ গোট মাৰি যোৱা), কাষৰ-পাজৰৰ আন অংগ সমূহত আঘাত পোৱাৰ সম্ভাৱনা থাকে। কিন্তু বৰ্তমান যুগত এনে পৰিস্থিতি সমূহ খুব কমকৈ হোৱা দেখা যায় যিহেতু এই প্ৰক্ৰিয়া Ultrasound ৰ মাধ্যমেদি কৰা হয়। এই সকলো প্ৰক্ৰিয়া কৰাৰ পূৰ্বে চিকিৎসকে সকলো কথা অভিভাৱকৰ লগত আলোচনা কৰে।